# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 16-06-2025

**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত কেইবাটাও প্ৰকল্প আৰু আঁচনিৰ আধাৰশিলা স্থাপনৰ লগতে উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ বেবেজীয়াৰ কমাৰটুপ, অঞ্চলত ২৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ১৬ বিঘাৰো অধিক ভূমি সামৰি এই ৰান্ধনিঘৰটো নিৰ্মাণ কৰা হ'ব। চলিত বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত ইয়াৰ নিৰ্মাণ কাৰ্যস সম্পৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।  উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে কালি ডিব্ৰুগড়ত এনে এটা সমূহীয়া ৰান্ধনী ঘৰ মুকলি কৰে। ড° শৰ্মাই ৬৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীযা দ্বিতীয় পৰ্যায়ৰ উত্তৰ লখিমপুৰ নগৰৰ পানীযোগান আঁচনি আৰু উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলা স্থাপন কৰে। এই আঁচনিৰ অধীনত ৮ দশমিক ৭ - ০ মিলিয়ন লিটাৰ বিশুদ্ধ খোৱাপানী দৈনিক যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ দ্বাৰা অঞ্চলটোৰ ৭ হাজাৰ ১৩ টা পৰিয়াল উপকৃত হ'ব। তেওঁ লগতে বিলুপ্তপ্ৰায় গছৰ সংগ্ৰহালয় আৰু বাঁহজাতীয় গছৰ ঘন বনাঞ্চলেৰে ১৬ বিঘা ভুমি  সামৰি স্থাপন হ'বলগীয়া উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলাও স্থাপন কৰে। দিনৰ ভাগত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লখিমপুৰ জিলা পৰিষদৰ নতুন কাৰ্যালয় ভৱন উদ্বোধন কৰে। তেওঁ জিলাখনত ৰাষ্ট্ৰীয় গকুল মিছনৰ অধীনত চাৰে চাৰি কোটি টকা ব্যয়েৰে নিৰ্মিত বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠান, ইন্দোৰ ষ্টেডিয়াম, ব্যায়ামাগাৰ আৰু কেণ্টিনগৃহ তথা অতিথিশালাও উদ্বোধন কৰে। জিলাখনত মুখ্যমন্ত্ৰীয়ে সৰ্বমুঠ ১১০ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। এই কাৰ্যসূচীত মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱা, সাংসদ প্ৰদান বৰুৱাকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে।

ooooo

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত কাৰ্যসূচী অব্যাহত আছে। বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয় খেলপথাৰত অহা ২১ জুনত যোগ দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কালি এই কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২০ জুনত জিলাখনত উপস্থিত হৈ নৈশ যাপন কৰাৰ লগতে পিছদিনা পুৱা যোগ দিৱসৰ কাৰ্যসূচীত অংশ ল'ব। এই অনুষ্ঠানত দুই শহস্ৰাধিক লোকে অংশগ্ৰহণ কৰিব।

চিৰাং জিলা প্ৰশাসনে আজি ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসমৰ সহযোগত কাজল গাঁৱত নৱীকৃত যোগ উদ্যানখন মুকলি কৰা লগতে জিলা পৰ্যায়ৰ যোগাসন প্ৰতিযোগিতাৰ আয়োজন কৰে। যোগ উদ্যানখন চিৰাং জিলাৰ আয়ুক্ত যতীন বৰাই উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত আয়ুক্তগৰাকীয়ে সমাগত

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি জিলা প্ৰশাসনে পেৰেড গ্ৰাউণ্ডত চাৰিটা শাখাত যোগ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ কথা প্ৰকাশ কৰে। অনুষ্ঠানত অংশ লৈ ৰাজ্যিক আয়ুষ মিছনৰ যুটীয়া সঞ্চালক ডাঃ শশী সোণোৱালে কাজল গাঁৱৰ লগতে কাৰ্বি আংলঙতো যোগ উদ্যান স্থাপন কৰি জনসাধাৰণক যোগাভ্যাসৰ প্ৰতি আকৰ্ষিত কৰাৰ পৰিকল্পনা লোৱা হৈছে বুলি উল্লেখ কৰে। যোগাসন প্ৰতিযোগিতাত ডেৰ শতাধিক স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি অহা ২০ জুনত জিলাখনৰ মিৰ্জাৰ ছহিদ ভৱনত জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পুৱা ৯ বজাত আৰম্ভ হ'বলগীয়া এই প্ৰতিযোগিতা চাৰিটা শাখাত অনুষ্ঠিত হ'ব। ১০ বছৰলৈ, ১০ৰ পৰা ১৮, ১৮ৰ পৰা ৩৫ আৰু ৩৫ বছৰৰ উৰ্ধৰ এই চাৰিটা শাখাত প্ৰতিযোগিসকলে অংশ ল'ব পাৰিব। ইচ্ছুক প্ৰতিযোগিয়ে অহা ১৯ জুনৰ ভিতৰত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। কামৰূপ জিলাৰ লোকেহে এই প্ৰতিযোগিতাত অংশ ল'ব পাৰিব। ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসম, কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত অহা ২১ জুনত মিৰ্জাৰ ছহিদ ভৱনত আয়োজিত যোগ দিৱসৰ কাৰ্যসূচীত প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণ কৰা হ'ব।

ooooo

অম্বুবাচী মহাযোগ সুকলমে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে  কামৰূপ মহানগৰ জিলা আয়ুক্ত, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই আজি কামাখ্যা মন্দিৰৰ চৌহদত এখন যৌথ সংবাদমেল সম্বোধন কৰে। সংবাদমেলত আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই অম্বুবাচী মহাযোগৰ সময়ছোৱাত কোনোধৰণৰ হুলস্থূল বা সমদল আদি কৰিবলৈ দিয়া নহ'ব বুলি প্ৰকাশ কৰে। মা কামাখ্যাৰ আৰাধনা তথা পৰম্পৰাত যাতে কোনো বাধাৰ সৃষ্টি নহয় তাৰ বাবে আৰক্ষী প্ৰশাসন সক্ষম হৈ থাকিব বুলি তেওঁ জানিবলৈ দিয়ে। নীলাচল পাহাৰৰ ভূমিস্খলনৰ প্ৰতি লক্ষ্য ৰাখি এই সময়ছোৱাত ভিৰ নিয়ন্ত্ৰণ কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহাযোগৰ সময়ছোৱাত সকলো ভক্তই পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৬ বজালৈহে নীলাচল পাহাৰলৈ যাব পাৰিব। সন্ধিয়া ৬ বজাৰ পাছত ভক্তসকলে মন্দিৰৰ ওপৰলৈ যাব নোৱাৰিব। আনহাতে পাণ্ডুৰ দিশৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথছোৱা সম্পূৰ্ণৰূপে বন্ধ থাকিব। বিশেষ জৰুৰীকালীন অৱস্থাতহে এই পথছোৱা ব্যৱহাৰ কৰা হ'ব বুলি আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। মহাযোগৰ সময়ত মন্দিৰলৈ যোৱাৰ বাবে কোনো ধৰণৰ বাহনৰ ব্যৱস্থা নাথাকিব। জৰুৰীকালীন সেৱাৰ বাহন আৰু মন্দিৰৰ চৌহদৰ বাসিন্দাসকলৰ বাবেহে বিশেষ ব্যৱস্থা থাকিব বুলি শ্ৰীমহন্তই কয়। কামাখ্যা মন্দিৰৰ দ্বাৰ মুকলি কৰাৰ পাছত অৰ্থাৎ ২৬ জুন আৰু ২৭ জুনত কোনো ধৰণৰ ভি আই পি, ভি ভি আই পি পাছৰ ব্যৱস্থা নাথাকিব। উল্লেখযোগ্য যে অহা ২২ জুনৰ দুপৰীয়া ২ বাজি ৫৬ মিনিটত প্ৰবৃত্তিৰ লগে লগে তিনিদিনৰ বাবে মন্দিৰৰ দ্বাৰ বন্ধ কৰি দিয়া হ'ব। অহা ২৬ জুনৰ নিবৃত্তিৰ পাছতহে ভক্তৰ বাবে মন্দিৰৰ দ্বাৰ মুকলি কৰি দিয়া হ'ব।

ooooo

সমাপ্ত